**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 13-05-2025 **Time :** 07-55 Hrs.

## Assamese Morning Bulletin

কেইবাখনো জিলাত পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনাৰ প্ৰক্ৰিয়া কালি নিশা সামৰণি পৰে। ভোটগণনাৰ দ্বিতীয় দিনা বিভিন্ন জিলাত বিজেপি আৰু ইয়াৰ সহযোগী দলসমূহে শক্তিশালী অগ্ৰগতি লাভ কৰে। আমাৰ সংবাদদাতাসকলে জনোৱা মতে ভোটগণনাৰ শেহতীয়া তথ্য অনুসৰি কেইবাখনো জিলাত বিজেপিয়ে সংখ্যাগৰিষ্ঠতা লাভ কৰিছে।

নগাঁও জিলাৰ ৭ টা বিধানসভা সমষ্টিৰ পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা প্ৰক্ৰিয়া কালি নিশা সামৰণি পৰিছে। প্ৰাপ্ত ফলাফল অনুসৰি ২৭ খন আসনযুক্ত নগাঁও জিলা পৰিষদত ১১ খন আসন বিজেপিয়ে লাভ কৰাৰ বিপৰীতে তিনিখন আসন অসম গণ পৰিষদ দলে লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰ বিপৰীতে কংগ্ৰেছ দলে ১৩ খন আসনত বিজয় সাব্যস্ত কৰে।

শ্ৰীভূমি জিলাৰ ১৬খন জিলা পৰিষদৰ আসনৰ ভিতৰত ১১ খন আসন বিজেপিয়ে লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰ বিপৰীতে কংগ্ৰেছে ৫ খন আসনত জয়লাভ কৰে।

বঙাইগাঁও জিলাৰ মুঠ ৬৫ খন আঞ্চলিক পঞ্চায়ত আৰু ১২ খন জিলা পৰিষদত বিজেপি আৰু ইয়াৰ মিত্ৰজোঁটে গৰিষ্ঠ সংখ্যক আসন দখল কৰে।

যোৰহাট বিধানসভা সমষ্টিত ১৬ খন জিলা পৰিষদৰ আটাইকেইখনতে বিজেপি মিত্ৰজোঁটে জয়লাভ কৰে। সমষ্টিটোৰ ৮৬ খন আঞ্চলিক পঞ্চায়তৰ ৮৩ খনত বিজেপি প্ৰাৰ্থী বিজয়ী হৈছে।

কামৰূপ জিলাৰ মুঠ ২৪ খন জিলা পৰিষদৰ আসনৰ ২২ খনত বিজেপিয়ে জয়লাভ কৰিছে বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে।

০০০০০০০

অসম দেশী-বিদেশী পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত অসমৰ পৰ্যটন ক্ষেত্ৰৰ উন্নতিৰ কথা প্ৰকাশ কৰিছে। বিগত ২০২৩-২৪ পৰ্যটন বৰ্যত ৪ লাখৰো অধিক পৰ্যটকে অসমৰ প্ৰকৃতি আৰু আতিথ্য উপভোগ কৰিবলৈ অসম ভ্ৰমণ কৰিছিল। প্ৰতি বছৰে অসমলৈ পৰ্যটনকৰ আগমনৰ হাৰ উৎসাহজনকভাৱে বৃদ্ধি পাইছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ৰাজ্য চৰকাৰে অসমৰ পৰ্যটন দিশটো অধিক আগুৱাই নিবলৈ বহুখিনি প্ৰকল্প গ্ৰহণ কৰিছে বুলিও তেওঁ কয়। লগতে চলিত ২০২৪-২৫ পৰ্যটন বৰ্যতো অসমৰ পৰ্যটন ক্ষেত্ৰৰ বাবে উল্লেখযোগ্য বৰ্ষ হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰিছে।

০০০০০০০

চলিত বৰ্ষৰ পৰাই ৰাজ্যৰ ১০ খন আদৰ্শ মহাবিদ্যালয়ত নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমৰ জৰিয়তে কালি এই কথা প্ৰকাশ কৰে। এই অনুসৰি ২০২৫-২৬ শৈক্ষিক বৰ্ষত হাইলাকান্দি আদৰ্শ মহাবিদ্যালয়, ওদালগুৰি হৰিশিঙাৰ চৰকাৰী আদৰ্শ মহাবিদ্যালয়, চিৰাং, মাজুলী, শোণিতপুৰৰ বৰছলা, মঙলদৈৰ গোলকগঞ্জ, ধুবুৰীৰ মাজৰ আলগা, লাহৰিঘাট আৰু চামগুৰিৰ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ত পাঠদান আৰম্ভ হ'ব। শিক্ষাৰ্থীসকলে এই মহাবিদ্যালয়সমূহত পাঁচটা বিষয়ত অধ্যয়নৰ সুযোগ লাভ কৰিব। এই অনুসৰি হাইলাকান্দিত ইংৰাজী, বঙালী, হিন্দী, ভূগোল আৰু সমাজতত্ব বিষয়ত নামভৰ্তিৰ সুবিধা থাকিব। একেদৰে চিৰাঙত ইংৰাজী, অসমীয়া, বড়ো, গণসংযোগ আৰু ভূগোল বিষয়ত পাঠ্যক্ৰম আৰম্ভ কৰা হ'ব। মাজুলীত ইংৰাজী, অসমীয়া, মনোবিজ্ঞান, গণসংযোগ আৰু ভূগোল বিষয় সন্নিবিষ্ট কৰা হৈছে। বাকী মহাবিদ্যালয়সমূহতো এনেধৰণৰ পাঁচটা বিষয়ত পাঠদানৰ সুবিধা থাকিব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে।

০০০০০০০

অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগে প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত ড° বাণীকান্ত কাকতি মেধা বঁটা প্ৰদানৰ বাবে এখন কাৰ্যালয় স্মাৰক প্ৰকাশ কৰিছে। এই স্মাৰক অনুসৰি অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে অনুষ্ঠিত কৰা ২০২৫ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত ৮০ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা শিক্ষাৰ্থীসকলক স্কুটি প্ৰদান কৰা হ'ব। বেটাৰমেণ্ট বা পুনৰ পৰীক্ষাত অৱতীৰ্ণ হোৱা শিক্ষাৰ্থীসকল এই বঁটাৰ বাবে বিবেচিত নহয়। যোগ্য ছাত্ৰ-ছাত্ৰীসকলে উচ্চ শিক্ষা সঞ্চালকালয়ে পৰৱৰ্তী সময়ত দিয়া লিংকৰ জৰিয়তে অনলাইন আবেদন কৰিব পাৰিব। ইপিনে, প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত ড° বাণীকান্ত কাকতি মেধা বঁটা লাভ কৰা শিক্ষাৰ্থীসকল নিযুত মইনা আঁচনিৰ বাবে যোগ্য বিবেচিত নহব বুলি কাৰ্যালয় স্মাৰকত উল্লেখ কৰা হৈছে। অৱশ্যে বাণীকান্ত কাকতি মেধা বঁটাৰ বাবে আবেদন নকৰা ছাত্ৰীয়ে নিযুত মইনা আঁচনিৰ বাবে আবেদন কৰিব পাৰিব।

০০০০০০০

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান নগাঁও জিলাৰ বটদ্ৰৱাৰ শান্তিজানৰ সতী ৰাধিকা স্মৃতি ক্ষেত্ৰত কালি দিনজোৰা কাৰ্যসূচীৰে সতী ৰাধিকা উৎসৱ পালন কৰা হয়। কেন্দ্ৰীয় সতী ৰাধিকা উৎসৱ উদযাপন সমিতিৰ উদ্যোগত তথা বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সহযোগত আয়োজিত এই উৎসৱৰ অংশ হিচাপে পুৱাৰ ভাগত স্বচ্ছতা অভিযান আৰু গছপুলি ৰোপণ কৰা হয়। ইয়াৰ পাছতে পতাকা উত্তোলন, স্মৃতি তৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰা হয়। দুপৰীয়াৰ ভাগত সতী ৰাধিকা নামঘৰত নাম-প্ৰসংগ আৰু গায়ন-বায়ন পৰিৱেশনৰ পাছতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। বিয়লিৰ ভাগত অনুষ্ঠিত মুকলি সভাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° উপেন ৰাভা হাকাচাম, অসম সত্ৰ মহাসভাৰ মুখপাত্ৰ ড° তাৰানাথ মহন্ত প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০০০

জম্মু-কাশ্মীৰৰ পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক লৈ দেশবিৰোধী মন্তব্য কৰাৰ অভিযোগত অসম আৰক্ষীয়ে এই পৰ্যন্ত ৫৬ জন লোকক গ্ৰেপ্তাৰ কৰিছে। কালি কাৰ্বি আংলং আৰক্ষীয়ে আজিমুদ্দিন আৰু ৰাকিব হুছেইনক গ্ৰেপ্তাৰ কৰে।

০০০০০০০

**সমাপ্ত**